ভাৰতীয় হজ কমিটি আৰু ইয়াৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহৰ হজ কমিটিৰ কাৰ্য্য প্ৰক্ৰিয়া উচ্চ ক্ষমতা সম্পন্ন কমিটিয়ে পুণৰনিৰীক্ষন কৰিব ।

১. ভাৰতীয় হজ কমিটি (এইচ চি ও আই) আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমুহৰ হজ কমিটি সমুহৰ কাৰ্য্যপ্ৰণালি সমুহৰ পুণৰনিৰীক্ষন কৰাৰ উদ্দ্যেশে তথা এখন ৰাজহুৱা গোচৰ সন্দৰ্ভত উচ্চতম ন্যায়লয়ে দিয়া নিৰ্দেশ অনুসৰি এই কমিটি সমুহে কমিটি সমুহৰ সফলতাৰ বাবে প্ৰয়োজনীয় পাৰদৰ্শিতা বৃৰ্দ্ধি কৰাৰ উদ্দ্যেশে আগবঢ়োৱা পৰামৰ্শ অথবা সমস্যা সমূহৰ সমাধান কৰাৰ বাবে বিবেচনা কৰিবলৈ ভাৰত চৰকাৰে এখন উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰিছিল ।

২. উচ্চ ক্ষমতা সম্পন্ন কমিটি খনৰ অধ্যক্ষতা কৰে উৰিষ্যা উচ্চ ন্যায়লয়,ভূৱেনশ্বৰৰ পূৰ্ব্বৰ ন্যায়ধীশ (অৱসৰ প্ৰাপ্ত) বিলাল নাজাকীয়ে। চাউডি আৰবৰ পূৰ্ব্বৰ ৰাষ্ট্ৰদূত ইশ্বাৰত আজিজ,ৰামপুৰ হাউচৰ বেগম নুৰ বানু আৰু মোম্বাইৰ মেৰকেনটাইল (Mercantile) কোঅপাৰেটিভ বেঙ্কৰ সঞ্চালক শ্ৰী মেহবুব উৰ ৰহমান এই উচ্চ ক্ষমতা সম্পন্ন কমিটিখনৰ সদস্য । কেন্দ্ৰীয় বহি পৰিক্ৰমা মন্ত্ৰনালয়ৰ জৰিয়তে এই এইচ পি চি কাৰ্য্যকৰী হব ।

৩. উচ্চ ক্ষমতা সম্পন্ন কমিটিৰ কাৰ্য্যৰ প্ৰসংগ সমূহ হব এইধৰনৰ (১) ভাৰতৰ হজ কমিটি আৰু ৰাজ্য সমুহৰ হজ কমিটি তথা কেন্দ্ৰীয় শাসিত অঞ্চল সমুহৰ হজ কমিটি সমুহৰ কাৰ্য্য প্ৰণালি পৰ্য্যবেক্ষন কৰা আৰু (২) উক্ত কমিটি সমুহৰ কাম কৰাৰ পাৰদৰ্শিতা উন্নত কৰাৰ লক্ষ্যৰে আগবঢ়োৱা পৰামৰ্শ আথবা সমস্যা সমুহৰ বিবেচনা কৰা ।এইচ পি চিয়ে দহ মাহ সময়ৰ ভিতৰত ইয়াৰ কাৰ্য্যসমুহ সম্পূৰ্ণ কৰি এখন প্ৰতিবেদন দাখিল কৰিব ।

৪. কেন্দ্ৰীয় বহি:পৰিক্ৰমা মন্ত্ৰী চালমান খুৰচিদে যোৱা ০৯ অক্তোৱৰ ২০১৩ তাৰিখে উষ্চ ক্ষমতা সম্পন্ন কমিটিৰ সৈতে এক বৈঠকত মিলিত হয় আৰু  এইচ পি চিৰ ওপৰত ভাৰত চৰকাৰে অৰ্পণ কৰা  উক্ত গুৰুত্বপূৰ্ণ কাৰ্য্যৰ সৈতে কেন্দ্ৰ চৰকাৰ কেনে ধৰনে সংলগ্ন হৈ আছে সেই সম্পৰ্কে চমু বিৱৰন আগবঢ়াই । শ্ৰী চলমান খুৰচিদে আগবঢ়োৱা চমু বিৱৰণীৰ পাছতেই এইচ পি চিয়ে কেন্দ্ৰীয় বহি:পৰিক্ৰমা মন্ত্ৰনালয়ৰ বিষয়া সকলৰ সৈতে আৰু ভাৰতীয় হজ কমিটিৰ অধ্যক্ষৰ সৈতে এক বৈঠকত মিলিত হয় বৈঠকত তেওঁলোকৰ দায়াত্বি সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় কাৰ্য্য ব্যৱস্থা (একশ্বন প্লেন) আৰু ইয়াক ক্ষীপ্ৰতাৰে আগবঢ়াই নিবলৈ এখন পথ মানচিত্ৰ প্ৰস্তুত সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয় ।

৫.  হজ তীৰ্থযাত্ৰী সকলৰ যাত্ৰা সম্পৰ্কীয় সকলো প্ৰক্ৰীয়া সক্ৰীয় আৰু সৰল প্ৰক্ৰিয়াৰ দ্বাৰা সম্পন্ন  হোৱাৰ বাবে  ভৰতীয় হজ কমিটি  আৰু ৰাজ্যিক তথা কেন্দ্ৰীয় শাসিত অঞ্চলসমুহৰ হজ কমিটি সমুহৰ কাৰ্য্য প্ৰনালি উন্নতি কৰিবলৈ আগ্ৰহী জনসাধাৰনে আগবঢ়োৱা পৰামৰ্শ আৰু আদৰ্শ সমুহক উষ্চ ক্ষমতা সম্পন্ন কমিটিয়ে আদৰনি জনায় ।এনে ধৰনৰ পৰামৰ্শ আৰু আদৰ্শৰ বিষয়ে তলৰ ই মেইলত মেইল পঠিয়াব পাৰে ।

dirgulf@mea.gov.in or to dirhaj@mea.gov.in

New Delhi

October 10,2013